আলোকপাত কৰিবলৈ গ'লে অৱধাৰিতভাৱেই আহি পৰে বিশিষ্ট গীতিকাৰ-সুৰকাৰ দিগন্ত ভাৰতী আৰু মানস ৰবীনৰ নাম। ক'ৰবাত যদি দিগন্ত ভাৰতীয়ে লিখা গীতত জুবিন গাৰ্গে সুৰ আৰু সংগীতেৰে সজাইছে (যেনে—চলচ্চিত্ৰ 'দাগ'ৰ "মনলে উভতি আহে ল'ৰালি", "বিচাৰিছোঁ কাযতে" শীৰ্ষক গীত দুটি, কন্যাদানৰ "সোণ ৰূপেৰেও" শীৰ্ষক গীতটি), ক'ৰবাত আকৌ দিগন্ত ভাৰতীয়ে কথা-সুৰেৰে সজোৱা গীতত জুবিন গাৰ্গে কণ্ঠ নিগৰাইছে। ঠিক সেইদৰে জুবিন-মানস ৰবীনৰ যুটিও অসমীয়া সংগীত জগতৰ বাবে এটা চিৰযুগমীয়া যুটি হৈ ৰ'ব। জুবিন-মানস ৰবীনৰ বহু চিৰসেউজ সৃষ্টিৰ ভিতৰত তেনে দুটা সৃষ্টি হৈছে—"উল গুঠিব জাননে/তাঁত লগাব জাননে..." (সুৰ-সংগীত ঃ জুবিন, গীতিকাৰ ঃ মানস ৰবীন, চলচ্চিত্ৰ ঃ কন্যাদান) শীৰ্ষক গীতটি। আৰু 'নবৌ অ' মোলৈ এজনী ছোৱালী চালি নে নাই' (কথা-সুৰ ঃ মানস ৰবীন, কণ্ঠ ঃ জুবিন)। (সকলোখিনি লিখিবলৈ হ'লে লেখাটো অধিক দীঘল হোৱাৰ ভয়ত ইমানতেই সামৰিছোঁ।) ঠিক সেইদৰে বৰ্তমান সময়ৰ জুবিনৰ গানবোৰ বিশ্লেষণ কৰিলে শশাংক সমীৰ আৰু ৰাহুল গৌতম শৰ্মাৰ দৰে প্ৰতিভাৱান গীতিকাৰৰ নাম উল্লেখ কৰিবই লাগিব। গীতিকাৰ দুজনৰ কেইবাটাও সুমধুৰ গীত জুবিন গাৰ্গে সুৰ আৰু সংগীতেৰে সজাই জনপ্ৰিয় কৰি তুলিছে। যেনে—ৰাহুল গৌতমে লিখা 'মা' এলবামৰ 'পপীয়া তৰা', 'আখৰে' শীৰ্ষক গান দুটা জুবিন গাৰ্গে খুব সুন্দৰকৈ সুৰ, সংগীতেৰে সজাইছে। ঠিক সেইদৰে উল্লেখ কৰিব পাৰি শশাংক সমীৰে লিখা আৰু জুবিনৰ সুৰ, সংগীত, কণ্ঠই প্ৰাণৱন্ত কৰি তোলা 'ৰ'দৰ চিঠি', 'ধূলিকণা', 'প্ৰীতিভৰা' আদিৰ দৰে বহু জনপ্ৰিয় গীতৰ কথা।

জুবিন গাৰ্গক লৈ হোৱা সমালোচনাবোৰত প্ৰায়ে এটা কথা উত্থাপন হোৱা দেখা যায়। জুবিন গাৰ্গৰ বৰ্তমানৰ গানবোৰতকৈও পুৰণি গানবোৰহে বেছি ভাল আছিল। এই ধাৰণাটো কিছু আপেক্ষিক। এই ধাৰণাবোৰ শ্ৰোতাৰ মানসিক অৱস্থাৰ ওপৰতো বহুখিনি নিৰ্ভৰশীল। আজিৰপৰা দহ বছৰৰ পাছত কোনোৱে ক'ব পাৰে যে আজিৰ গানবোৰতকৈ জুবিনৰ আগৰ গানবোৰহে বেছি ভাল আছিল। আজিৰপৰা বিছ-পঁচিছ বছৰৰ আগতে জুবিন গাৰ্গে যিবোৰ গান সৃষ্টি কৰিছিল, সেই সৃষ্টিসমূহত জুবিন গাৰ্গৰ সেই সময়ৰ প্ৰেম-ভালপোৱা আৰু আবেগ-অনুভূতিসমূহ জড়িত হৈ আছিল। যাৰ বাবেই নবৈ দশকৰ সন্ত্ৰাস জৰ্জৰিত অস্থিৰ অসমখনক লৈ "অন্ধ আকাশ ৰুদ্ধ বতাহ", "সোণেৰে সজোৱা পঁজা", "জগত পোহৰ কৰি আহিব প্লাৱন"ৰ দৰে কেইবাটাও চিৰযুগমীয়া গীতৰ সৃষ্টি হোৱাত সহায় হৈছিল। ঠিক সেইদৰে "তুমি চোৱা যেতিয়া দুচকুলে/মোৰ আকাশ ভাঙি নামে বিজুলী" *(এলবাম ঃ মেঘৰ বৰণ, ১৯৯১)*, "বৰষা যেতিয়া নামে বুকুলৈ" *(এলবাম ঃ ৰং-১৯৯৬)*, "জুলি উঠা জুই হয় জ্বলোৱা কামনা" *(এলবাম ঃ মেঘৰ বৰণ)* দৰে গীতবোৰে গীতিকাৰৰ সেই সময়ৰ প্ৰেমানুভূতিবোৰক প্ৰতিনিধিত্ব কৰিছে। সময়ৰ লগত মানুহৰ চিন্তাধাৰা, পৰ্যবেক্ষণ ইত্যাদি সকলো সলনি হোৱাটো স্বাভাৱিক। গতিকে জুবিন গাৰ্গৰ আজিৰ সৃষ্টিৰাজিতো সেইধৰণৰ সালসলনি অহাটো স্বাভাৱিক প্ৰক্ৰিয়া। দুই-তিনিটা দশক ধৰি জনপ্ৰিয়তাৰ শীৰ্ষত থকা প্ৰতিজন সৃষ্টিশীল সংগীত শিল্পীৰ ক্ষেত্ৰতে এনেধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰা যায়। জুবিন গাৰ্গৰ পূৰ্বৰ গীতসমূহত ব্যৱহাৰ কৰা 'হৰিণীনয়না', 'অৱগুণ্ঠন', 'মুগ্ধ হিয়া'ৰ দৰে আলংকাৰিক শব্দসমূহৰ সংমিশ্ৰণে যি সুন্দৰ প্ৰকাশভংগিমা গঠন কৰিছিল, ঠিক সেইদৰে তেওঁৰ নতুন সৃষ্টিৰাজিতো 'শালিকী পুৱা', 'তিমিৰ বৰণ', 'অগ্নিস্নান'ৰ দৰে বহু কাণ জুৰ পেলোৱা ফুলাম শব্দৰ সমাহাৰ আজিও শুনিবলৈ পোৱা যায়। গতিকে সময় সাপেক্ষে প্ৰতিজন সৃষ্টিশীল ব্যক্তিৰ সৃষ্টিৰাজিতো ভিন্নতা আহিব পাৰে। এনে ভিন্নতা বা পৰিৱৰ্তন অহাটোও দৰকাৰ। কাৰণ সমাজ আৰু সংস্কৃতি গতিশীল। সেই বাবেই হয়তো জ্যোতিপ্ৰসাদ আগৰৱালাই কৈ গৈছে—"ৰূপান্তৰেহে মাথোঁ জগত ধুনীয়া কৰে।" জুবিন গাৰ্গে যদি কেৱল 'অনামিকা', 'পাখি', 'শিশু'ৰ দৰে একঘেয়ামি গানৰ সৃষ্টি কৰি থাকিলহেঁতেন, জুবিন গাৰ্গে কেতিয়াও আজিৰ স্থান নাপালেহেঁতেন।



*জুবিন-মানস ৰবীনৰ যুটিও অসমীয়া সংগীত জগতৰ বাবে এটা চিৰযুগমীয়া যুটি হৈ ৰ'ব।*

জুবিন গাৰ্গৰ সৃষ্টিৰাজিত কেৱল বুৰ্জোৱা শিল্পৰ উপাদান আছে বুলি ভাবি অসমৰ প্ৰগতিশীল শিবিৰৰ সমালোচকসকলে তেওঁৰ সৃষ্টিকৰ্মক প্ৰায় উপেক্ষা কৰিয়েই আহিছে। বহুতেই জুবিন গাৰ্গক পুৰণি শিল্পীৰ লগত তুলনা কৰি কিছুমান তৰল সমালোচনা কৰা দেখা যায়। অগ্ৰজ এজন শিল্পী এনেকুৱা আছিল বুলি জুবিনৰ মাজতো সেই একেটাকে বিচৰাটো এটা ভুল ধাৰণা। দুজন সম্পূৰ্ণ বেলেগ ব্যক্তিত্ব, বিজ্ঞানৰ ফালৰপৰাও দুয়োজনৰ জিনীয় ভিন্নতা আছে। গতিকে এনেধৰণৰ তুলনা ভিত্তিহীন। বিশেষকৈ এচাম প্ৰগতিশীল সমালোচকে কেইজনমান মুষ্টিমেয় অগ্ৰজ শিল্পীৰ সৃষ্টিৰাজিৰ বাহিৰে, যোৱা পঁচিছ বছৰ ধৰি অসমৰ সংগীত জগতত দপদপাই থকা জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ প্ৰতি গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। বহুতৰে বাবে জুবিন গাৰ্গ যেন বিতৰ্কত ব্যৱহাৰ কৰা মনোৰঞ্জনৰ আহিলা মাথোঁ। যি কি নহওক এয়া আমাৰ সীমিত জ্ঞানৰ পৰিধিয়ে ঢুকি পোৱা জুবিন গাৰ্গৰ গীত সম্পৰ্কত যৎকিঞ্চিৎ প্ৰয়াসহে মাথোঁ, অনাগত দিনত সংগীত সমালোচক-বিশেষজ্ঞসকলৰপৰা এই বিষয়ে অধিক আলোচনা হ'ব বুলি আশা কৰিছোঁ।

ঠিকনা ঃ নুমলীগড় শোধনাগাৰ লিমিটেড, নুমলীগড়-৭৮৫৬৯৯, ফোন ঃ ৯১০১৬২৩৭৬৬

বিশাল প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত




*ক'ৰোনাকালত চিকিৎসক, নাৰ্ছ, চিকিৎসাকৰ্মী, জৰুৰীকালীন সেৱাত জড়িত লোকসকলৰ জীৱন-যুদ্ধ আৰু সাধাৰণ জনতাৰ লগতে বহিঃৰাজ্যত কৰ্মৰত শ্ৰমিকৰ দুখ-দুৰ্দশাৰ জ্বলন্ত প্ৰতিচ্ছবি এইখন গ্ৰন্থ।*

গোপাল জালানৰ নৱতম গ্ৰন্থ

**ক'ৰোনা**

জীৱন ■ জীৱিকা ■ ৰাজনীতি

পাণবজাৰৰ গ্ৰন্থ বিপণীসমূহত উপলব্ধ